## মহাভাৰত মহাকাব্যৰ পৰিচয়

মহাভাতৰ ৰচতিা কৃষ্ণদ্বৈপায়ন বেদব্যাস। প্ৰাচীন ঐতিহ্য অনুযায়ী মহাভাৰত, অষ্টাদশ (১৮) পুৰাণ আৰু অষ্টাদশ (১৮) উপপুৰাণৰ ৰচয়িতা আৰু বেদৰ ভাগ কৰোঁতা মহৰ্ষি ব্যাস বিষ্ণুৰ অৱতাৰ। বেদমন্ত্ৰৰ সংকলক আৰু বিভাজয়িতা হিচাবে তেওঁৰ নাম বেদব্যাস। ব্যাসৰ ৰচনা 'মহাভাৰত' নামে প্ৰসিদ্ধ। ভাৰতবংশৰ সামগ্ৰিক ইতিহাসৰ মহৎ কাহিনী অথবা ভাৰতযুদ্ধৰ বৰ্ণনা কৰা বাবে 'মহাভাৰত' নামে প্ৰসিদ্ধ। মহাভাৰতত ১৮ টা পৰ্ব আছে— আদি, সভা, বন, বিৰাট, উদ্যোগ, ভীষ্ম, দ্ৰোণ, কৰ্ণ, শল্য, সৌপ্তিক, স্ত্ৰী, শান্তি, অনুশাসন, অশ্বমেধ, আশ্ৰমবাসিক, মৌসল, মহাপ্ৰস্থানিক, স্বৰ্গাৰোহন।

(১) **আদি পৰ্ব ঃ** মহাভাৰত ৰচনাৰ পূৰ্ব প্ৰসংগ, কৌৰৱ আৰু পাণ্ডৱবংশৰ ইতিহাস বৰ্ণনা। কৌৰৱ আৰু পাণ্ডৱৰ বাল্যশিক্ষাৰ পৰা আৰম্ভ কৰি খাণ্ডৱদাহপৰ্যন্ত আদি পৰ্বত বৰ্ণনা কৰা হৈছে।

(২) **সভা পৰ্ব ঃ** হস্তিনাপুৰৰ ৰজা ৰাজসভাত কৌৰৱ আৰু পাণ্ডৱসকলৰ দ্যুতক্ৰীড়া, পাণ্ডৱসকলৰ

পৰাজয় আৰু বনবাস।

(৩) **বনপৰ্ব ঃ** পাণ্ডৱসকলৰ বনবাসৰ জীৱনৰ কাহিনী।

(৪) **বিৰাট পৰ্ব ঃ** বিৰাট ৰজাৰ ৰাজসভাত ছদ্মবেশী পাণ্ডৱসকলৰ অজ্ঞাতবাস আৰু দ্ৰৌপদীৰ পাণিগ্ৰহণ।

(৫) **উদ্যোগ পৰ্ব ঃ** কৌৰৱ আৰু পাণ্ডৱপক্ষৰ যুদ্ধত উদ্যোগ।

(৬) **ভীষ্ম পৰ্ব ঃ** কুৰুক্ষেত্ৰৰ প্ৰাংগণত কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধ। কৌৰৱসকলৰ সেনাপতি ভীষ্ম শৰশয্যাত শয়ন।

(৭) **দ্ৰোণ পৰ্ব ঃ** ভীষ্মৰ ইচ্ছামৃত্যুৰ পিছত দ্ৰোণক সেনাপতি পদত বৰণ, দ্ৰোণৰ দ্বাৰা ভয়াৱহ যুদ্ধ। ধৃষ্টদ্যুম্নৰ সৈতে যুদ্ধত দ্ৰোণৰ নিধন।

(৮) **কৰ্ণ পৰ্ব ঃ** কৰ্ণৰ সেনাপতিত্বত উভয় পক্ষৰ তুমুল যুদ্ধ, অৰ্জুনৰ দ্বাৰা কৰ্ণৰ নিধন।

(৯) **শল্য পৰ্ব ঃ** শল্যৰ সেনাপতিত্বত কৌৰৱ পক্ষৰ দুৰ্যোধন আৰু আন তিনিজনৰ বাহিৰে সকলোৰে মৃত্যু।

(১০) **সৌপ্তিক পৰ্ব ঃ** ৰাতি সেনাপতি আশ্বাত্থামাৰ পাণ্ডৱৰ শিবিৰত প্ৰৱেশ আৰু পঞ্চপাণ্ডৱ বুলি ভাবি দ্ৰৌপদীৰ পাঁচজন পুত্ৰক নিধন।

(১১) **স্ত্ৰী পৰ্ব ঃ** মহাসমৰত নিহত পুত্ৰ, আত্মীয়স্বজন আৰু অন্যান্য বীৰসকলক দেখি দ্ৰৌপদীৰ বিলাপ।

(১২) **শান্তি পৰ্ব ঃ** হস্তিনাপুৰত যুধিষ্ঠিৰৰ অভিষেক আৰু ৰাজ্যপালন।

(১৩) **অনুশাসন পৰ্ব ঃ** ভীষ্মৰ দ্বাৰা যুধিষ্ঠিৰক ৰাজধৰ্ম প্ৰদান। আপদধৰ্ম আৰু মোক্ষ ধৰ্মৰ উপদেশ।

(১৪) **অশ্বমেধ পৰ্ব ঃ** যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ অনুষ্ঠান।

(১৫) **আশ্ৰমবাসিক পৰ্ব ঃ** ধৃতৰাষ্ট্ৰ গান্ধাৰী, বিদুৰ, সঞ্জয় আৰু কুন্তীৰ বানপ্ৰস্থ আশ্ৰমত প্ৰৱেশ।

(১৬) **মৌসল পৰ্ব ঃ** যদুবংশীয়সকলৰ পাৰস্পৰিক যুদ্ধ আৰু ধ্বংস।

(১৭) **মহাপ্ৰস্থানিক পৰ্ব ঃ** পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীৰ যাত্ৰা।

(১৮) **স্বৰ্গাৰোহন পৰ্ব ঃ** স্বৰ্গাৰোহণ পৰ্বত যুধিষ্ঠিৰৰ বাহিৰে সকলোৰে পতন, যুধিষ্ঠিৰৰ স্বৰ্গপ্ৰাপ্তি, মৃত ভাতৃসকলৰ সন্ধানত নৰককৈ গমন, অৱশেষত স্বৰ্গত পুনৰ্গমন আৰু ভাতৃসকলৰ সৈতে আৰু অন্যান্য আত্মীয়সকলৰ সৈতে মিলন।

মহৰ্ষি ব্যাসদেৱৰ ৰচিত ‘মহাভাৰত’ এখন মহাকাব্য। ইয়াক ‘ইতিহাস’ বুলিও কোৱা হয়। মহাভাৰতক এখন অনন্য সাধাৰণ ৰচনা বুলি কোৱা হয়। ইয়াত হিন্দুধৰ্মৰ বিচিত্ৰ আৰু পূৰ্ণচিত্ৰ পোৱা যায়। মহাভাৰতক ইতিহাস গ্ৰন্থ আৰু ধৰ্মশাস্ত্ৰ হিচাবে মানি লোৱা হয়, যাৰ পঠন-পাঠন শ্ৰৱণ-মনন সৰ্বপ্ৰকাৰে মানৱৰ বাবে কল্যাণকাৰক। সাংস্কৃতিক মূল্যও ইয়াৰ যথেষ্ট। শ্ৰীমদ্ভাগৱদ্ গীতা, বিষ্ণু সহস্ৰ নাম, অনুগীতা, ভীষ্মস্তৱৰাজ, গজেন্দ্ৰমোক্ষ আদি আধ্যাত্মিক গ্ৰন্থসমূহ ইয়াৰ পৰাই উৎপত্তি।

মহাভাৰতত দেখা যায় যে ৰামচন্দ্ৰ, নল প্ৰভৃতি প্ৰাচীন ৰজাসকলৰ কাহিনী শুনি ৰজা দ্যুমৎসেনে সান্ত্বনা লাভ কৰিছিল। পুৰাণবিলাকৰ বক্তা যেনেকৈ সূত লোমহৰ্ষন নাইবা তেওঁৰ পুত্ৰ সৌতি উগ্ৰশ্ৰবা, তেনেকৈ মহাভাৰতৰ বক্তাও সূত সঞ্জয়। সঞ্জয়ে গোটেইখন মহাভাৰত ধৃতৰাষ্ট্ৰৰ আগত ব্যক্ত কৰে। মহাভাৰত হৈছে প্ৰকৃত ক্ষত্ৰিয়ৰ। ইতিহাস, জনগণৰ ইতিহাস। জীৱনৰ ৰহস্য, পৰিণতি আৰু জীৱনক কিদৰে সমৃদ্ধ আৰু সাৰ্থক কৰিব পাৰি এই সকলোবোৰ

মহাভাৰতে ব্যাখ্যা কৰি দিছে বিভিন্ন কাহিনীৰ মাজেদি। ফলত মহাভাৰতে হৃদয়গ্রাহী হৈছে, জাতি, ধৰ্ম, বয়স নির্বিশেষে সর্বজন গ্রহণীয় হৈ পৰিছে। ষড়দর্শনৰ মূলনীতিবিলাকৰ ওপৰত ভিত্তি কৰি গোটেইখন মহাভাৰত গঢ়ি উঠিছে। নীতিগ্রন্থ হিচাবে, দর্শন শাস্ত্র হিচাবে আৰু ইতিহাস হিচাবে মহাভাৰতে প্রকৃততে মহান পৰিচয় বহন কৰি আছে। মহাভাৰতৰ উপাখ্যানবিলাকৰ ভিতৰত দুষ্যন্ত শকুন্তলাৰ উপাখ্যান বীর্যগাথাসমূহৰ অন্যতম। পৰৱৰ্তীকালত মহাকবি কালিদাসে এই উপাখ্যানক অৱলম্বন কৰি 'অভিজ্ঞানশাকুন্তলম্' নাটক ৰচনা কৰে। এই উপাখ্যানৰ দ্বাৰা পতি-পত্নীৰ সম্পৰ্ক, মানুহৰ জীৱনত পত্নী আৰু পুত্ৰৰ স্থান, বিবাহবিধি, উত্তৰাধিকাৰ আইন প্রভৃতি বহুতো কথা প্রচাৰ কৰিছিল। সেইদৰে যযাতিৰ উপাখ্যানত যযাতিৰ পুত্র পুৰুক তেওঁৰ জৰা দান কৰি পুৰুৰ যৌৱন গ্রহণ কৰে আৰু বিষয়বাসনা ভোগ কৰে। কিন্তু শেষত তেওঁৰ শিক্ষা হ'ল যে বিষয় ভোগৰ দ্বাৰা বিষয় বাসনাৰ নিবৃত্তি নহয়। ইয়েই হৈছে গল্পৰ শিক্ষা। সেইদৰে নল আৰু দময়ন্তীৰ উপাখ্যান, ৰামোপাখ্যান, বিদুলাৰ উপাখ্যান আদিৰ জৰিয়তে মানৱজাতিক ধৰ্ম শিক্ষা, নীতিশিক্ষা দিয়া হৈছে। এই নীতিবিলাকক তিনি শ্রেণীত ভগোৱা হৈছে— (১) গল্প (২) দৃষ্টান্ত উপমা (৩) বর্ণনাত্মক নীতি শিক্ষা। ধৰ্মপৰায়ণ বিদুৰৰ উপদেশাৱলীৰ দৰে তেনে জাতীয় বহুতো আখ্যান পোৱা যায়।

যি নীতিবোধ দৈনন্দিন জীৱনত পতি-পত্নী, পিতা-পুত্ৰ প্ৰভৃতিৰ মাজতে সদা জাগ্ৰত থকা উচিত তাকো নানা উপাখ্যানৰ মাজেদি প্ৰচাৰ কৰা হৈছে। সমগ্র মহাভাৰতত নীতি, ধৰ্ম আৰু মোক্ষবিষয়ক আলোচনা বিক্ষিপ্ত হৈ পৰিছে। 'নীতি' শব্দটোৰ সাধাৰণ অর্থ ব্যাপক হ'লেও প্রধানকৈ ৰাজনীতিৰ আলোচনাই ইয়াত মুখ্য স্থান গ্ৰহণ কৰিছে। শান্তিপৰ্ব, অনুশাসন পৰ্ব এই জাতীয় আলোচনাৰে পূর্ণ। ভীষ্মপৰ্বৰ অন্তৰ্গত গীতাই ভাৰতীয় দর্শন শাস্ত্রসমূহত মোক্ষপ্রাপ্তিৰ যিবিলাক পথ নির্দিষ্ট হৈছে সেই সকলোবোৰক জ্ঞান যোগ আৰু ভক্তিযোগৰ মাজেদি দেখুৱাই দিছে।

শান্তিপৰ্বৰ আন এটা নাম নাৰায়ণীয়। ই গীতাৰো বহু পিছত মহাভাৰতৰ সৈতে সংযোগ হৈছে। ইয়াৰ ৰচনাশৈলী পুৰাণৰ দৰে। বাল্মীকিৰ দৰে ব্যাসো সংস্কৃত কবিসকলৰ বাবে উপজীব্য। মহাভাৰতৰ উপাখ্যানক অৱলম্বন কৰি পৰৱৰ্তীকালত কবিসকলে কাব্য, নাটক, গদ্য, পদ্য, চম্পূ আদি ৰচনা কৰে। মহাভাৰতক উপজীব্য কৰি ৰচনা কৰা গ্রন্থসমূহ হ'ল—

**নাটক ঃ** ১) দূতঘটোৎকচ, ২) দূতবাক্য, ৩) কর্ণভাৰ, ৪) মধ্যমব্যয়োগ, ৫) পঞ্চৰাত্ৰ, ৬) উৰুভঙ্গ, ৭) অভিজ্ঞান শাকুন্তলম্, ৮) বেণীসংহাৰ, ৯) সুভদ্ৰাধনঞ্জয়, ১০) বালভাৰত, ১১) নৈষধানন্দ, ১২) চিত্ৰভাৰত, ১৩) ধনঞ্জয়ব্যয়োগ, ১৪) নলবিলাস, ১৫) নির্ভয়ভীম, ১৬) হৰকেলি নাটক, ১৭) পার্থপৰাক্ৰম, ১৮) ভীমপৰাক্ৰম, ১৯) সৌগন্ধিকা হৰণ, ২০) ভৈমীপৰিণয়, ২১) নলচৰিত, ২২) সুভদ্রা পৰিণয়।

**পদ্যকাব্য ঃ** ১) কিৰাতাৰ্জুনীয়ম্, ২) শিশুপালবধম্, ৩) কীচকবধম্, ৪) ভাৰতমঞ্জৰী, ৫) নৈষধচৰিত, ৬) সহৃদয়ানন্দ, ৭) বালভাৰত, ৮) নলভ্যুদয়, ৯) নলোদয়, ১০) যুধিষ্ঠিৰ বিজয়।

**চম্পূ ঃ** ১) নলচম্পূ, ২) ভাৰতচম্পূ, ৩) দ্ৰৌপদী পৰিণয়চম্পূ।

সমগ্ৰ মহাভাৰত বৰ্তমান যি আকাৰত পোৱা যায় তাত একলাখ শ্লোক আছে। মূল শ্লোকৰ সখ্যা সম্পৰ্কেও মতান্তৰ আছে। মহাভাৰতৰ কোনো ঠাইত 'অষ্টৌশ্লোক শতানি অষ্টৌ সহস্ৰানি' আৰু কোনো ঠাইত 'চতুৰ্বিংশতি সাহস্ৰীসংহিতা', কোনো ঠাইত 'শত সাহস্ৰী সংহিতা' ইত্যাদিৰ উল্লেখ আছে। উক্ত তথ্যৰ ভিত্তিত বহুতে অনুমান কৰে যে মূল মহাভাৰতৰ পৰা বৰ্তমান মহাভাৰত পৰ্যন্ত তিনিটা পৃথক পৃথক স্তৰত সমগ্ৰ ৰচনাৰ ক্ৰমপৰিণতি ঘটিছে। প্ৰথমস্তৰত ৮,৮০০ টা শ্লোক, দ্বিতীয়স্তৰত ২৪,০০০ শ্লোক আৰু অন্তিম স্তৰত ১,০০,০০০ শ্লোক। আদিপৰ্বৰ ভূমিকাত কোৱা হৈছে যে মহাভাৰতৰ কাহিনী তিনিজন ব্যক্তিৰ দ্বাৰা তিনিবাৰ বিবৃত কৰা হৈছে। প্ৰথমে কৃষ্ণদ্বৈপায়ন ব্যাসে নিজ শিষ্য বৈশম্পায়নক শুনায়, দ্বিতীয়বাৰ বৈশম্পায়নে জনমেজয়ৰ নাগযজ্ঞত জনমেজয়ক শুনায়। তৃতীয়বাৰত লোমহৰ্ষণৰ পুত্ৰ সৌতিয়ে শৌনক আদি ঋষিসকলক সেই কাহিনী শুনায়। তৃতীয় কাহিনীয়েই লোকবিশ্ৰুত হয়। অৰ্থাৎ বেদব্যাস ৰচিত বা বৰ্ণিত মূল বা প্ৰাথমিক মহাভাৰত ৮,৮০০ শ্লোকত সম্পূৰ্ণ। বৈশম্পায়নৰ বৰ্ণিত মহাভাৰতত ২৪,০০০ শ্লোকত সম্পূৰ্ণ আৰু তাত অবান্তৰ আখ্যান-উপাখ্যান নাছিল। তাৰ পাছত সৌতিয়ে শ্লোকত পূৰ্বশ্ৰুত কাহিনী বৰ্ণনা কৰে আৰু সেই সৌতি বৰ্ণিত কাহিনীয়েই বৰ্তমান মহাভাৰত। মহাভাৰতৰ ভূমিকাত কোৱা হৈছে যে বেদব্যাসে স্বয়ং তেওঁৰ পাঁচজন শিষ্যক সুমন্ত, জৈমিনি, পৈল, বৈশম্পায়ন আৰু শুকবৰ্ণ মহাভাৰতৰ পাঠ বা আবৃত্তিৰ শিক্ষা দিছিল। তাৰ পাছত শিষ্যসকলে প্ৰত্যেকেই পৃথকভাৱে মহাভাৰত ৰচনা কৰে। উক্ত তথ্যৰ ভিত্তিত অনুমান কৰা যায় যে ব্যাস ৰচিত মূল মহাভাৰতৰ শ্লোকসমূহত পৰৱৰ্তী কালত নানান সময়ত বিবিধ আকাৰত কাহিনী আৰু শ্লোক প্ৰক্ষিপ্ত (সংযোজন) হয় আৰু নানান পৰিবৰ্দ্ধনৰ বাবে বৃদ্ধি হোৱা ব্যাসে ৰচিত গ্ৰন্থৰ বৰ্তমান ৰূপটোক আমি দেখা পাইছো।

মহাভাৰতৰ টীকাকাৰ মধ্বাচাৰ্যই কৈছে যে কোনো ঠাইত প্ৰক্ষেপ, কোনো ঠাইত মূলৰ পৰিত্যক্ত, কোনো ঠাইত ইচ্ছাকৃত কৰি প্ৰক্ষিপ্ত হৈছে। এনেদৰে মূল মহাভাৰতত পৰৱৰ্তী কালত ভালেমান শ্লোক সংযোজন হৈ বৰ্তমান ৰূপটো পাইছেগৈ।

## মহাভাৰতৰ ক্ৰমবিকাশ

মহাভাৰতৰ ৰচনা এটা নিৰ্দিষ্ট সময়ত হোৱা নাই। সেয়ে ইয়াৰ ৰচকো এজন নহয় বুলি কব পাৰি আৰু ইয়াৰ সমাপ্তিও বহু শতাব্দী পিছতহে হয়।

বেদব্যাস কৃষ্ণদ্বৈপায়ণক মহাভাৰতৰ মুখ্য ৰচক হিচাপে ধৰা হয়। তেওঁ চন্দ্ৰ বংশীয় প্ৰজাসকলৰ বিষয়ে লিখিবলৈ এই মূল গ্ৰন্থভাগ ৰচনা কৰে। কুৰুপাণ্ডৱৰ মাজত হোৱা যুদ্ধখনেই এই কাব্য ইতিহাসৰ প্ৰধান উপজীব্য বিষয়বস্তু। ব্যাসদেৱে ৰচনা কৰা মূল কাব্যখনক 'জয়কাব্য' বুলি জনা যায়। সম্ভৱত পাণ্ডৱসকলে কুৰুক্ষেত্ৰ যুদ্ধত জয়লাভ কৰা বাবেই এই কাব্যৰ নাম 'জয়কাব্য' হয়। এই কাব্যখনত ৮৮০০ টা মান শ্লোক থকা বুলি পণ্ডিত ***মেকডোনেলে*** অনুমান কৰে। মহাভাৰতৰ বিকাশ প্ৰধানকৈ তিনিটা স্তৰত হোৱা বুলি কোৱা হয়। ইয়াৰ ইঙ্গিত মহাভাৰতৰ আদি পৰ্বৰ (প্ৰথম পৰ্বৰ) শ্লোক এটিত পোৱা যায়—

মন্বাদি ভাৰতং কেচিদাস্তিকাদি তথাপৰে।
তথোপৰিচৰাদন্যে বিপ্ৰাঃ সম্যগধিগম্যতে।। ১.১.৫৩

বেদব্যাসে তেওঁৰ পাঁচজন শিষ্যৰ অন্যতম বৈশম্পায়ণক মূল 'জয়াখ্য' কাব্য প্ৰথমস্তৰত শিকাইছিল। এই কাব্যত বহুতো আখ্যান বা কাহিনীৰ বৰ্ণনা আছে। দ্বিতীয় স্তৰত বৈশম্পায়ণে পৰিবৰ্ধিত ৰূপত 'ভাৰতাখ্য' গ্ৰন্থ জন্মেজয় পৰীক্ষিতৰ সৰ্পযজ্ঞত আবৃত্তি কৰিছিল। আস্তিক আখ্যানেৰে তেওঁ এই গ্ৰন্থ আৰম্ভ কৰিছিল। তাত শ্লোকৰ সংখ্যা আছিল ২৪০০০। তৃতীয় স্তৰত মহাভাৰতাখ্য গ্ৰন্থ সৌতি লোমহৰ্ষণে নৈমিষাৰণ্যৰ সত্ৰযজ্ঞত শৌনকাদি মুনিসকলৰ আগত আবৃত্তি কৰিছিল। ইয়াৰ শ্লোক সংখ্যা হ'ল এশ হাজাৰ বা এক লক্ষ (১০০,০০০)। এই কথাৰ উল্লেখ মহাভাৰতত এনেদৰে পোৱা যায় —

অস্মিংস্তু মানুষ্যে লোক বৈশম্পায়নোক্তান্।
একং শতসহস্ৰং তু ময়োক্তং বৈ নিবোধত।

সৌতিয়ে আবৃত্ত কৰা মহাভাৰতখন বিশ্বকোষৰ নিচিনা পৰিণত হয়। কাৰণ তাত বিশ্বকোষৰ নিচিনা সকলো কথাই সন্নিবিষ্ট আছে। সেয়েহে ই বৰ্তমান এখন ইতিহাস, পুৰাণ, ধৰ্মশাস্ত্ৰ তথা মহাকাব্যত পৰিণত হৈছে। ভাৰত গ্ৰন্থ বিভিন্ন আখ্যান উপাখ্যানেৰে ভৰপূৰ। কিন্তু শেষত সৌতিয়ে যি কথা শৌনকাদি ঋষিসকলক শুনাইছিল তাত বিভিন্ন আখ্যান উপাখ্যান আৰু শেষত 'হৰিবংশ' অংশ যোগ দিয়ে আৰু ফলত ইয়াৰ আকাৰ বৃহৎ হৈ পৰে। সেইবাবে এই বৃহৎ গ্ৰন্থক 'মহাভাৰত' নামেৰে অভিহিত কৰা হয়।

## মহাভাৰতৰ ৰচনাকাল

মহাভাৰতৰ ৰচানকাল সম্বন্ধে পণ্ডিতসকলে বেলেগ বেলেগ মত পোষণ কৰে। কোনো এক নিৰ্দিষ্ট কালত ইয়াৰ ৰচনা আৰম্ভ হৈ শেষ হোৱা নাই। সাধাৰণতে ইয়াৰ ৰচনা ১০০০ খৃঃ পূঃ ৰ পৰা ৪০০ খৃঃ লৈকে এই সুদীৰ্ঘ কাল ধৰা হয়। সেই ফালৰ পৰা মহাভাৰতৰ উচ্চতম আৰু নিম্নতম সময়সীমা তলত নিৰ্ধাৰণ কৰা হৈছে —

১) গুপ্তকালত পোৱা এক শিলালিপিৰ পৰা জনা যায় যে মহাভাৰত একলাখ শ্লোকৰ সমষ্টি। সেয়েহে মহাভাৰতৰ ৰচনাকাল ইয়াতকৈ (শিলালিপিতকৈ) বহুত আগৰ বুলি ধাৰণা কৰা হয়।

২) খ্ৰীষ্টীয় ষষ্ঠ শতিকাত বিদেশত মহাভাৰত জাভা আৰু বালিদ্বীপৰ কবিভাষালৈ অনুদিত হ'লে নিশ্চয় তাতকৈ বহুকাল আগতে ভাৰতবৰ্ষত উক্ত গ্ৰন্থ ৰচিত হ'ব লাগিব।

৩) খ্ৰীষ্টীয় তৃতীয় শতিকামানতে পণ্ডিতসকলৰ মতে মহাভাৰত চীনত প্ৰচাৰ হয়। গতিকে তাৰ আগতেই নিশ্চয় মহাভাৰত ভাৰতবৰ্ষত ৰচিত হয়।

৪) খ্ৰীষ্টীয় প্ৰথম শতিকাৰ বৌদ্ধ কবি অশ্বঘোষকৃত বজ্ৰসূচিকোপনিষদতো মহাভাৰতৰ শ্লোকৰ উল্লেখ আছে।

৫) খ্ৰীষ্টীয়পূৰ্ব পঞ্চম শতিকাৰ প্ৰসিদ্ধ বৈয়াকৰণ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীত ভীষ্ম, যুধিষ্ঠিৰ, বিদুৰ প্ৰভৃতি চৰিত্ৰসহ মহাভাৰতৰ উল্লেখলৈ চাই মহাভাৰতৰ ৰচনাকাল পঞ্চম শতিকাৰ আগতেই হোৱা বুলি অনুমান কৰিব পাৰি।

৬) ভাসে (খৃঃ পূঃ ৩০০ - ৪০০ অব্দ) তেওঁৰ সাতখন ক্ষুদ্ৰ নাটক মহাভাৰতৰ বিভিন্ন ঘটনাৰ আলমত ৰচনা কৰিছে। গতিকে সেইফালৰ পৰা মহাভাৰততৰ ৰচনা ভাসৰ সময়ৰ আগতেই হোৱা বুলি কব পাৰি।

৭) সূত্ৰ সাহিত্যৰ অন্তৰ্গত আশ্বলায়ন গৃহ্যসূত্ৰ, শাংখায়ন শ্ৰৌত সূত্ৰ, বৌধায়ন ধৰ্মসূত্ৰ আদিত মহাভাৰতৰ যুদ্ধৰ কিছু বৰ্ণনা পোৱা যায়। কাশিকা, ৰামগোপাল আদি পণ্ডিতৰ মতে কল্পসূত্ৰবোৰৰ ৰচনা কাল খৃঃ পূঃ ৮০০ - ৫০০ অব্দৰ ভিতৰত। এনেবোৰ প্ৰমাণৰ পৰা মহাভাৰতৰ ৰচনাৰ উচ্চতম সীমা খৃঃ পূঃ দশম শতিকা বুলি কব পাৰি।

৮) সপ্তম শতিকাৰ গদ্যকাৰ সুবন্ধুয়ে তেওঁৰ "বাসৱদত্তা" গ্ৰন্থত মহাভাৰতৰ উল্লেখ কৰিছে।

৯) সপ্তম শতিকাৰ আন এজন দাৰ্শনিক কবি কুমাৰিল ভট্টই নিজ গ্ৰন্থত মহাভাৰতৰ উদ্ধৃতি দিছে।

১০) গদ্যকাৰ বাণভট্টই (খৃঃ ৬৫০) তেওঁৰ "কাদম্বৰী" গ্ৰন্থত মহাকাল মন্দিৰৰ বৰ্ণনা প্ৰসংগত মহাভাৰতৰ কথা উল্লেখ কৰিছে।

১১) ৫০০ খৃষ্টাব্দৰ দানপাত্ৰ কিছুমানত মহাভাৰতৰ উল্লেখ পোৱা যায়।

১২) বিভিন্ন পণ্ডিতে মহাভাৰতৰ ৰচনা বিভিন্ন ধৰণে নিৰ্ধাৰণ কৰিছে। কিছুমানৰ মতে অন্তিমসীমা খৃঃ পূঃ ৫০০ অব্দ আৰু কিছুমানৰ মতে খৃঃ পূঃ ৩৫০ - ৩২০ অব্দৰ মাজত ৰচিত।

## মহাভাৰতৰ প্ৰভাৱ

ভাৰতীয় সাহিত্যৰ ওপৰত মহাভাৰতৰ প্ৰভাৱ অপৰিসীম। মহাভাৰতৰ পাতত থকা বিভিন্ন নীতিকথা, ধৰ্মকথাসমূহ নানাধৰণে প্ৰকাশ পাইছে।

শ্ৰীমদ্ভগবদ্গীতা, বিষ্ণুসহস্ৰনাম, অনুগীতা, ভীষ্মস্তৱৰাজ আৰু গজেন্দ্ৰমোক্ষ নামৰ পাঁচখন গ্ৰন্থ মহাভাৰতৰ বুকুৰ পৰাই প্ৰকাশ পাইছে। মহাভাৰতৰ আধাৰত বিভিন্ন মহাকাব্য, কাব্য, নাটক, কথাসাহিত্য আদি ৰচিত হৈছে। মহাকবি ভাস, কালিদাস, মাঘ, ভট্টনাৰায়ণ, ভাৰবি, শ্ৰীহৰ্ষ, ৰাজশেখৰ, ক্ষেমেন্দ্ৰ আদি কবিসকলে মহাভাৰতৰ আলমতে বিভিন্ন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

মহাকবি ভাসৰ ছয়খন নাটক (পঞ্চৰাত্ৰ, দূতকাব্য, দূতঘটোৎকচ, উৰুভংগ, কৰ্ণভাৰ, মধ্যমব্যায়োগ) মহাভাৰতৰ বিভিন্ন কাহিনীক আশ্ৰয় কৰি ৰচিত হৈছে।

মহাকবি কালিদাসৰ অভিজ্ঞানশকুন্তলম্ নাটকখন মহাভাৰতৰ আদি পৰ্বত থকা শকুন্তলোপাখ্যানক অৱলম্বন কৰি ৰচিত হৈছে।

ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটক মহাভাৰতৰ কাহিনীৰ আধাৰতেই ৰচিত হৈছে । শ্ৰীহৰ্ষ ৰচিত নৈষধচৰিত মহাকাব্য মহাভাৰতৰ নলোপাখ্যানৰ আধাৰত ৰচিত হৈছে। ইয়াৰ উপৰিও মাঘৰ "শিশুপালবধ" মহাকাব্যখন মহাভাৰতত বৰ্ণিত শিশুপালৰ কাহিনীক লৈ ৰচিত হৈছে। ভাৰবিৰ "কিৰাতাৰ্জুনীয়ম্" মহাকাব্যখন মহাভাৰতত বৰ্ণিত শিৱ আৰু অৰ্জুনৰ সংবাদ লৈ ৰচিত। ঠিক তেনেদৰে ত্ৰিবিক্ৰমভট্টৰ "নলচম্পূ" নামৰ চম্পূকাব্যখন মহাভাৰতৰ নলোপাখ্যানক অৱলম্বন কৰি ৰচিত হৈছে। ক্ষেমেন্দ্ৰৰ "ভাৰতমঞ্জৰী" খন মহাভাৰতৰ সাৰাংশ কৰিয়েই ৰচিত হৈছে। ইয়াৰ উপৰিও বহুতো প্ৰাচীন গ্ৰন্থ তথা আধুনিক ভাৰতীয় ভাষাবোৰতো সাহিত্যিকসকলে মহাভাৰতক উপজীব্য কৰি নানা গ্ৰন্থ ৰচনা কৰিছে।

## ৰামায়ণ আৰু মহাভাৰতৰ তুলনা

ৰামায়ণ বা মহাভাৰত এই দুয়োখন মহাকাব্যই ভাৰতীয় সভ্যতা সংস্কৃতি, ৰীতি নীতি আৰু সাহিত্যৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। দুয়োখন গ্ৰন্থই ভাৰতীয় সাহিত্যৰ দুটা ভিন্ন যুগক প্ৰতিনিধিত্ব কৰিছে। তলত দুয়োখন গ্ৰন্থৰ তুলনা দাঙি ধৰা হ'ল —

১) ৰামায়ণৰ ৰচক হৈছে আদিকবি বাল্মীকি আৰু মহাভাৰতৰ ৰচক হৈছে পৰাশৰৰ পুত্ৰ মহামুনি কৃষ্ণদ্বৈপায়ন বেদব্যাস।

২) রামায়ণৰ মূল কথা হৈছে ৰাম ৰাৱণৰ যুদ্ধ। আনহাতে মহাভাৰতৰ প্ৰধান বিষয়বস্তু হৈছে কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত হোৱা যুদ্ধ।

৩) ৰামায়ণ সাতটা কাণ্ডত বিভক্ত আৰু প্ৰতিটো কাণ্ড বিভিন্ন সৰ্গত বিভক্ত। মহাভাৰত আকৌ ওঠৰ (১৮) টা পৰ্বত বিভক্ত। প্ৰতিটো পৰ্ব অনেক অধ্যায়ত বিভক্ত।

৪) বিস্তৃতিৰ ফালৰ পৰা দেখা যায় যে ৰামায়ণ মহাভাৰতৰ এক চতুৰ্থাংশ মাত্ৰ। ৰামায়ণৰ শ্লোকসংখ্যা ২৪০০০। অন্যহাতে মহাভাৰত প্ৰায় এক লাখ শ্লোকৰ সমষ্টি।

৫) মহাভাৰতৰ ৰচনা ৰামায়ণতকৈ পিছৰ। কাৰণ মহাভাৰতৰ বনপৰ্বত ৰামোপাখ্যানৰ বৰ্ণনা পোৱা যায়।

৬) ৰামায়ণৰ ভাষা মহাভাৰতৰ তুলনাত অধিক বিশুদ্ধ। চৰিত্ৰ চিত্ৰণ, ছন্দ-অলংকাৰ, ৰসাদিৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰামায়ণৰ উৎকৃষ্টতা সহজে চকুত পৰে।

৭) ৰামায়ণত সতীদাহৰ উল্লেখ পোৱা নাযায়; কিন্তু মহাভাৰতত আছে। উদাহৰণস্বৰূপে মাদ্ৰীৰ সতীদাহ।

৮) মহাভাৰতৰ নাৰী দ্ৰৌপদী প্ৰতিশোধপৰায়ণা স্বভাৱৰ, কিন্তু ৰামায়ণৰ সীতা ধীৰ স্থিৰ।

৯) মহাভাৰতৰ যুদ্ধৰ বৰ্ণনাত ৰামায়ণতকৈ অধিক বাহুল্যতা দেখা যায়। ৰণনীতিৰ কৌশলগত দিশত মহাভাৰতৰ যোদ্ধাসকল বেছি আগৰণুৱা। আনহাতে ৰামায়ণত শিল লৈ বান্দৰ ৰাক্ষসসকলে যুদ্ধ কৰা দেখা যায়।

১০) ৰামায়ণৰ সমাজ আদৰ্শবাদৰ ওপৰত প্ৰতিষ্ঠিত। মহাভাৰতৰ সামাজিক ব্যৱস্থাত আদৰ্শবাদৰ স্থান নাই।

১১) ৰামায়ণৰ নায়িকা সীতা আৰু মহাভাৰতৰ নায়িকা দ্ৰৌপদীৰ জন্ম অলৌকিকভাৱে হোৱা দেখা যায়। দুয়োজনী নায়িকাৰ বিবাহ স্বয়ম্বৰৰ জৰিয়তে সম্পন্ন হৈছে। ৰামায়ণত যি ধৰণেৰে সিংহাসনৰ উত্তৰাধিকাৰিত্বলৈ ৰামৰ বনবাস হৈছে, ঠিক তেনেধৰণেৰে যুধিষ্ঠিৰাদি পঞ্চপাণ্ডৱৰো সিংহাসন লৈ বনবাস হৈছে।

এনেধৰণেৰে বিশ্লেষণ কৰিলে দেখা যায় যে ৰামায়ণ আৰু মহাভাৰতৰ বৰ্ণনীয় বিষয়ৰ মাজত অমিলৰ পৰিমাণেই বেছি।